# গুৱাহাটীত ছোৱালী স্কুলৰ উন্নতি সাধনৰ কাৰণে যত্নপৰ

গুৱাহাটীত সেই সময়ত ছোৱালীৰ শিক্ষা পিচ পৰা আছিল বুলি কব পাৰি। এতিয়াৰ পাণবজাৰ হাইস্কুলটো মধ্য ইংৰাজী স্কুলৰ পৰা ১৯২৬ চনত হাইস্কুলত পৰিণত কৰা হয়। মোক তাত প্ৰধান শিক্ষয়িত্ৰীৰ বাব লবলৈ বৰকৈ ধৰিছিল। সেই সময়ত মোৰ বাহিৰে গুৱাহাটীত বি,এ পাছ কৰা মহিলা আনকোনো নাছিল। কিন্তু মোৰ স্বামীয়ে মোক সেই কাম কৰিবলৈ দিবলৈ ইচ্ছা নকৰিলে। ময়ো নিজৰ লৰা-ছোৱালীক লালন পালন কৰি স্কুলত শিক্ষকতা কৰা সম্ভৱ নহব বুলিয়েই ভাবিলো। তথাপি অৱসৰ সময়ত বিনা পাৰিশ্ৰমিকে স্কুলক সহায় কৰা হিচাবে মাজে সময়ে স্কুলত পঢ়াবলৈ যোৱা মোৰ মনত পৰে। বাহিৰৰ পৰা কেবাগৰাকী বঙালী মহিলাক প্ৰধান শিক্ষয়িত্ৰীৰ বাব দি অনা হৈছিল। কিন্তু তেওঁবিলাকে স্থায়ী ভাবে থাকিব নোৱাৰিলে

৺হেম চন্দ্ৰ সেনে কটন স্কুলৰ পৰা যেতিয়া অৱসৰ গ্ৰহণ কৰিছিল, তেওঁক হেড মাষ্টৰ পতা হ'ল।

তল ক্লাছত অসমীয়া মাষ্টৰণী ২।১ গৰাকী আছিল। তল ক্লাছবোৰত বঙলাতেই প্ৰশ্ন কটা হৈছিল। সপ্তম শ্ৰেণীৰ পৰা ইংৰাজীৰে পঢ়োৱা হৈছিল।

১৯২৬ চনৰ পৰা স্কুলখন হাইস্কুলত পৰিণত হয়। গুৱাহাটীত ছোৱালীয়ে মেট্ৰিকলৈকে পঢ়া মই ১৯৩১-৩২ চনৰ আগলৈকে গম পোৱা নাছিলো। ছোৱালীবিলাকৰ ভিতৰত বেছি ভাগেই ৭ম, ৮ম শ্ৰেণীৰ পৰা স্কুললৈ অহা যোৱা কৰা বন্ধ কৰা মনত পৰে। গুৱাহাটীত তেতিয়া বামুণৰ ছোৱালীক ধৰম বিয়া দিয়া পন্থা প্ৰচলিত আছিল ।